# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-11-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::: ::::::: :::::::: ::::::::

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপিকে ধৰি অন্যান্য দলসমূহে সমষ্টিয়ে সমষ্টিয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ সভাৰ আয়োজন কৰিছে। মন্ত্ৰী পীযূষ হাজৰিকাই বিহালী সমষ্টিৰ কেইবাটাও অঞ্চলত বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, সাংসদ ৰঞ্জীত দত্তকে ধৰি ভালকেইগৰাকী বিজেপি নেতাই এই প্ৰচাৰ সভাত উপস্থিত থাকে।

ইপিনে মন্ত্ৰী ৰণজিত কুমাৰ দাসে বঙাইগাঁও বিধানসভা সমষ্টিৰ দুলাইগাঁও গাঁও পঞ্চায়তত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ অগপৰ বঙাইগাঁও জিলা কাৰ্যালয়ত এখন বৈঠকত অংশগ্ৰহণ কৰি অহা ৬ নৱেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোত সম্বোধন কৰিবলগীয়া জনসভাৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। একেদৰে চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এন ডি এ-ৰ মনোনীত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই প্ৰচাৰ চলায়।

আনহাতে সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। সাংসদ গৌৰৱ গগৈয়ে বিহালী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ধলাই সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ হৈ এ আই চি চিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং প্ৰচাৰ সভাত অংশ লয়। জিতেন্দ্ৰ সিঙৰ লগতে এ আই চি চিৰ সম্পাদক পৃথ্বীৰাজ সাথে, এ পি চি চিৰ সভাপতি ভূপেন বৰা, বিধায়ক নন্দিতা দাসৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মীয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

আনহাতে বঙাইগাঁও সমষ্টিৰ পুৰণি বঙাইগাঁও, মাজগাঁও, চাপৰাকটা আৰু দাংতলত কংগ্ৰেছ দলৰ নেতা-কৰ্মীসকলে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি দলটোৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ প্ৰচাৰ চলায়।

০০০০

উচ্চতম ন্যায়ালয়ে গোৱালপাৰা জিলাত থকা দেশৰ সৰ্ববৃহৎ ডিটেনচন কেম্পত আৱদ্ধ কৰি ৰখা সন্দেহযুক্ত নাগৰিকৰ বাবে পৰ্যাপ্ত সা-সুবিধা নথকা বিষয়টোত উদ্বেগ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰৰ শুনানি গ্ৰহণ কৰি আজি উচ্চতম ন্যায়ালয়ে সংশ্লিষ্ট বিভাগৰ সচিবক ডিটেনচন কেম্পটো শীঘ্ৰে পৰিদৰ্শন কৰি ইয়াৰ সৈতে জড়িত সকলো বিষয়াৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে ডিটেনচন কেম্পত আৱদ্ধ কৰি ৰখা সন্দেহযুক্ত নাগৰিকসকলে যাতে ন্যূনতম সকলো সা-সুবিধা লাভ কৰে সেই সন্দৰ্ভতো ব্যৱস্থা গ্ৰহণ

কৰিবলৈ নিৰ্দেশ দিয়ে। নিৰ্দেশনাটোত এমাহৰ ভিতৰত সংশ্লিষ্ট বিষয়াগৰাকীক চৰকাৰে প্ৰদান কৰা সা-সুবিধাসমূহক লৈ শপতনামা দাখিল কৰিবলৈও উল্লেখ কৰা হয়। উল্লেখযোগ্য যে, মাটিয়াৰ ডিটেনচন কেম্পত থকা লোকসকলক উপযুক্ত সা-সুবিধাৰ পৰা বঞ্চিত কৰাৰ অভিযোগেৰে উচ্চতম ন্যায়ালয়ত এগৰাকী সচেতন নাগৰিকে এখন লেখ আবেদন দাখিল কৰিছিল। পূৰ্বে আবেদনখনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ে ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণক বিষয়টো নিৰীক্ষণৰ নিৰ্দেশ দিছিল। ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণে সমগ্ৰ বিষয়টো নিৰীক্ষণ কৰি যোৱা ২৪ অক্টোবৰত উচ্চতম ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিছিল। এই প্ৰতিবেদনৰ ভিত্তিতেই উচ্চতম ন্যায়ালয়ে আজি গোচৰটোৰ শুনানি গ্ৰহণ কৰি উদ্বিগ্নতা প্ৰকাশ কৰাৰ লগতে চৰকাৰক উপযুক্ত ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে।

০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত কাইলৈ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা তথা সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠান আৰু চাৰে ১১ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। চাৰে ন বজাৰ পৰা আয়োজিত স্মৃতি চাৰণ সভাত ৰাজ্যৰ  বিত্ত মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে, দিনৰ চাৰে এঘাৰ বজাৰ পৰা আয়োজন কৰা সাংস্কৃতিক অনুষ্ঠানত কেইবাগৰাকীও ন-পুৰণি শিল্পীয়ে গীত আৰু নৃত্য অনুষ্ঠান পৰিবেশন কৰিব বুলি সাংস্কৃতিক সঞ্চালকালয়ৰ তৰফৰ পৰা জানিবলৈ দিছে।  ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে মহানগৰীৰ চচলত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে।

আনহাতে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উদ্যোগত ড° ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী উপলক্ষে এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে।

০০০০

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদ্‌যাপন কৰাৰ লক্ষ্যৰে গুৱাহাটী আৰক্ষী আয়ুক্তৰ উদ্যোগত আজি জিলা পুথিভঁৰালত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাত আৰক্ষী আয়ুক্ত দিগন্ত বৰাই পূজাৰ সময়ত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত অৱগত কৰে। পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাত অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে।

আনহাতে, কৰিমগঞ্জ জিলাতো ষট পূজা শান্তিপূৰ্ণভাৱে  অনুষ্ঠিত কৰাৰ বাবে আজি কৰিমগঞ্জৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বিশেষ বৈঠক অনুষ্ঠিত হয়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**